পৰিশিষ্ট

গ্ৰীক্ নাটকৰ গান

খ্ৰীঃপূঃ পঞ্চম-চতুৰ্থ শতিকাত ৰচা গ্ৰীক্ সাহিত্যৰ বিখ্যাত ট্ৰেজেডি বা শোকনাটকবিলাক বাস্তৱতে পদ্যত লিখা একোখন সৰু সৰু নাট্যকাব্য। এই নাটকবিলাক অঙ্ক-গৰ্ভাঙ্কত বিভক্ত নহয়। মূল নাটকবিলাকৰ কোনো থললৈ উল্লেখ কৰিব লগা হ'লে শাৰী হিচাপে উনুকিৱা হয়। একোখন একোখন নাটকত প্ৰায় বাৰশ পোন্ধৰশ শাৰী থাকে। গান এই নাট্যকাব্যবিলাকৰ এটা প্ৰধান অঙ্গ; আধুনিক আৰু গ্ৰীক্ ট্ৰেজেডিৰ এইটো এটা ডাঙৰ প্ৰভেদ। গানবিলাক আধুনিক নাটকৰ দৰে কথোপকথনৰ মাজত এনেয়ে সুমাই দিয়া নহয়। সেইবিলাকৰ লগত নাটকখনৰ অন্তৰঙ্গ সম্বন্ধ থাকে, গ্ৰীক্ নাটকত ঠাই বুজি আধুনিক অপেৰাৰ নিচিনাকৈ গানেৰেও কথোপকথন চলিব পাৰে। সাধাৰণতে গ্ৰীক্ নাটকবিলাকত কেইবাবিধৰো গান থাকে, তাৰ ভিতৰত ক'ৰাছ বা সমস্বৰ গান প্ৰধান আৰু সকলো নাটকতে থাকে। ইয়াৰ বাহিৰেও কম্মছ, মনডি আৰু 'ৰঙ্গমঞ্চৰ গান' বুলি কিছুমান গান আছে। কম্মছ প্ৰায়বিলাক নাটকতে পোৱা যায়, মনডি আৰু 'ৰঙ্গমঞ্চৰ গান' সকলো নাটকতে পোৱা নাযায়।

ধৰ্মৰ ক্ৰিয়া-কাণ্ডৰ পৰা গ্ৰীক্ ট্ৰেজেডিৰ উদ্ভৱ হয়। সুৰা আৰু আনন্দৰ দেৱতা ডিয়নিছাছৰ উৎসৱত হোৱা নাচ-গানৰ পৰা গ্ৰীক্ ট্ৰেজেডিৰ ক্ৰমবিকাশ হয়। এই উৎসৱবিলাকত ক'ৰাছ বা সমস্বৰ গানৰ প্ৰাধান্য আছিল। গ্ৰীক্ নাটকত এইবিধ গানৰ প্ৰাধান্য হোৱাৰ ই এটা ঐতিহাসিক কাৰণ। কিন্তু গভীৰ অনুভূতি আৰু ভাবৰ তুমুল থৌকিবাথৌ প্ৰকাশ কৰিবৰ কাৰণে গানতকৈ ভাল উপায় নাই। বিখ্যাত সমালোচক ৰাল্টাৰ পেটাৰে আচল কথাকে কৈছে যে, বস্তু আৰু ৰূপ অথবা বিষয় আৰু প্ৰকাশৰীতিৰ সম্পূৰ্ণ ঐক্য সুকুমাৰ কলাৰ লক্ষ্য আৰু এই লক্ষ্য সিদ্ধ হয় গান আৰু গীতি কবিতাত। অৱশ্যে এই গান 'ফুল ফুলিছে, মলয়া বলিছে' বিধৰ গান নহয়। ভাবৰ বৈচিত্ৰ, অনুভূতিৰ গাম্ভীৰ্য আৰু ভাষাৰ চঞ্চল বিলাসত গ্ৰীক্ ট্ৰেজেডিৰ গানৰ তুলনা বিশ্ব-সাহিত্যত পাবলৈ নাই। গানত অকল মাধুৰ্যৰ পৰিমাণ বেছি হ'লে গাম্ভীৰ্য নাথাকে, গাম্ভীৰ্য বেছি হ'লে কোমলতা নাথাকে। এই দুটা বস্তুৰ সামঞ্জস্য ৰাখি এস্কিলাছ, ছফক্লিছ আদিয়ে গান হিচাপে গানৰ এটা গম্ভীৰ ৰূপ সৃষ্টি কৰিছিল। গ্ৰীক্ ভাষাৰ স্বাভাৱিক মাধুৰ্যই এই গীতি-সাহিত্যৰ সৃষ্টিত সহায় কৰিছিল। গ্ৰীক্ ভাষাৰ দৰে, সংস্কৃত ভাষাও মধু�ৰ, কিন্তু সংস্কৃত ভাষাৰ গতি দ্ৰুত বিলম্বিত, গ্ৰীক্ ভাষা অতি ক্ষীপ্ৰগামী। কিছুমান পলাই অহা কুমাৰীক ধৰি নিবলৈ আহি একন নাটকত এজন দূতে চিঞৰি চিঞৰি গাইছে—

'টিল্‌ময় টিল্‌ময় কায় ষ্টিগময়'

ওপৰত দিয়া কথা ফাঁকি শুনিবলৈ বৰ মধুৰ আৰু বৰ খৰকৈ গাব পাৰি। ইয়াৰ অৰ্থ সেই অনুপাতে শুৱলা নহয়। দূতে এই কেইটা কথাৰেই ভয় দেখুৱাই কৈছে, 'তহঁত ফিৰি নাহিলে তহঁতক খুচিম আৰু বিন্ধিম'!

ক'ৰাছ গানবিলাক ৰঙ্গমঞ্চৰ আগত এডোখৰ বিশেষ ঠাইত গোৱা হৈছিল। ইয়াৰ নাম অৰ্‌কেষ্ট্ৰা। সাধাৰণতে পোন্ধৰজন গায়ক মিলি বাঁহীৰ সুৰত গাইছিল আৰু নাচিছিল। গায়কসকলে অনেক সময়ত কুমাৰীৰ বেশ ল'লেও কোনো কোনো নাটকত তেওঁবিলাকে বুঢ়াৰ ৰূপ লৈছিল। কেতিয়াবা আকৌ গায়ক দলে কোনো এখন ৰাজ্যৰ মন্ত্ৰী-পৰিষদৰ ৰূপ লৈছিল। ইয়াৰ পৰাই বুজা যায় গ্ৰীক্ ট্ৰেজেডিৰ ক'ৰাছ গান আৰু নাচ কিমান গম্ভীৰ আৰু মৰ্যাদাপূৰ্ণ। কিন্তু গানত অকল গাম্ভীৰ্য থাকিলেই নহয়, মাধুৰ্য আৰু লালিত্যৰ ফালেও গ্ৰীক্ নাট্যকাৰসকলে সদায় চকু ৰাখিছিল। এস্কিলাছৰ 'পাৰস্যবাসী' নাটকত ৰাজমন্ত্ৰী বেশধাৰী গায়ক দলে ধীৰে ধীৰে সোমাই আহি গ্ৰীছ জয় কৰিবলৈ যোৱা পাৰস্য বাহিনীৰ যুদ্ধযাত্ৰা বৰ্ণাওঁতে ঘৰত এৰি যোৱা বিৰহিণীবিলাকৰ অৱস্থাও মধুৰ ছন্দত সংযতভাৱে বৰ্ণাইছে। পাৰস্য সেনাৰ পৰাজয় বাতৰি পোৱাৰ পিছত এই বিৰহিণীবিলাকৰ শোক বৰ্ণনাৰ গানো বৰ মনোৰম। 'মৃদুবিলাপিনী পাৰস্যৰ তৰুণীয়ে নৱ বিবাহিত স্বামীক দেখা হেঁপাহত সুকুমাৰ যৌৱনৰ ভোগ-বিলাসিত শয়নতল এৰি চিৰ অতৃপ্ত বিলাপ ধ্বনিৰে কান্দিব লাগিছে' (ক)। সাহিত্যত ইমান প্ৰাচীন বিৰহগাঁথা পোৱা নাযায়।

গ্ৰীক্ কাব্যসাহিত্যত স্বদেশপ্ৰেমৰ সুৰ যেনেকৈ শুনা যায় সংস্কৃত সাহিত্যত তেনেকৈ শুনিবলৈ পোৱা নাযায়। স্বদেশৰ কাৰণে জীৱনদানৰ গৌৰৱময় চিত্ৰ ইউৰিপিডিছে তেওঁৰ এখন নাটকত আঁকিছে। ছফক্লিছে তেওঁৰ এখন নাটকৰ ক'ৰাছ গানত এথেন্সৰ ওচৰৰ কলনাছ চহৰৰ যি বৰ্ণনা দিছে সি গোটেই গ্ৰীক্ সাহিত্যতে বিখ্যাত। কবিৰ সেই গানত আকাশী নিয়ৰ পাই ঠন্ ধৰি উঠা মনমোহা থোপাৰে ফুলি থকা নাৰকিচ্ছাছ ফুল আৰু স্বৰ্ণকান্তি কুঙ্কুম কুসুমৰ শোভা জিলিকি উঠিছে। আৰু এখন গ্ৰীক্ নাটকত গ্ৰীছ দেশৰ কেফিছাছ নৈৰ কথা উনুকিয়াই ক'ৰাছৰ দলে গাইছে— 'মানুহে কয়, ৰম্য সলিল কেফিছাছৰ পানী তুলিবলৈ জুৰ বতাহৰ মৃদু মধুৰ নিশ্বাসৰ সুৰৰ লগে লগে এই দেশলৈকে প্ৰণয়ৰ দেৱী পাল মেলি আহিছিল। কেশপাশত গোলাপৰ সুৰভি মালা গাঁথি কলাবিদ্যাৰ সহচৰ আৰু সকলো সু-গুণৰ লগৰীয়া প্ৰেমৰ অধিষ্ঠাতা দেৱকুমাৰৰ দলকো সঙ্গী কৰি আনিছিল।' ছফক্লিছৰ এখন নাটকৰ ক'ৰাছ এদল গ্ৰীক্ নাবিক। বহু দিন ধৰি ট্ৰয় যুদ্ধত শ্ৰান্ত-ক্লান্ত হৈ নাবিকবিলাকে সিহঁতৰ গানত স্বদেশৰ স্মৃতি আৰু দেশলৈ ফিৰি যোৱাৰ হেঁপাহ বৰ মধুৰ আৰু অৱশ সুৰত প্ৰকাশ কৰিছে।

সাগৰৰ বিৰাট ৰূপৰ উপলব্ধি গ্ৰীক্ কবিসকলে যিদৰে কৰিছিল ভাৰতীয় কবিসকলে সেইদৰে কৰিব পৰা নাছিল। গ্ৰীক্ কাব্যৰ লগত সাগৰৰ সঙ্গীত জড়িত হৈ আছে। ইউৰিপিডিছৰ এখন নাটকত এদল কুমাৰী ক'ৰাছে গাইছে—

'কুৱানেয়াই কুৱানেয়াই ছুনদয় থালাছ্ছাছ'

'সুনীল সুনীল সাগৰৰ বাটপথ!' এই গানত ক'ৰাছে সাগৰ যাত্ৰীৰ ভাগ্য বৈচিত্ৰ্য বৰ্ণাইছে। ছফক্লিছে এটা ক'ৰাছ গানত সাগৰৰ ভয়াবহ ৰূপৰ আভাস দিছে— 'যেতিয়া থ্ৰেছৰ ভয়ঙ্কৰ সাগৰ ধুমুহাৰ লগে লগে সাগৰৰ গৰ্ভৰ অন্ধকাৰৰ ওপৰেদি টৌবিলাকে ঢাপলি মেলে, আৰু সাগৰৰ তলৰ পৰা ক'লা বালিবিলাক ওপৰলৈ মাৰি পঠায়, আৰু ধুমুহাই কোবোৱা উপকূলবিলাক ঢৌৰ লগত খুন্দা খাই প্ৰৱল হুঙ্কাৰেৰে গৰজি উঠে।'

গ্ৰীক্ নাটকৰ ক'ৰাছ গান অকল বৰ্ণনামূলক নহয়। বাস্তৱতে ক'ৰাছৰ প্ৰধান উদ্দেশ্য হৈছে নাটকৰ ঘটনাবিলাকৰ ওপৰত মন্তব্য প্ৰকাশ কৰা, নায়কৰ ভাগ্য বিপৰ্যয়ত সহানুভূতি জ্ঞাপন কৰা আৰু বিশেষকৈ, জীৱনৰ ডাঙৰ ডাঙৰ সমস্যাবিলাকৰ বিষয়ে আৰু ভাগ্যবিপ্লৱৰ গতি-প্ৰগতিৰ বিষয়ে নিজৰ অভিমত কবিত্বপূৰ্ণ ভাষাত সঙ্গীতৰ সুৰেৰে প্ৰকাশ কৰা। জাৰ্মান সাহিত্যৰ প্ৰধান নাট্যকাৰ ছিলাৰে তেওঁৰ এখন নাটকৰ পাতনিত গ্ৰীক্ ক'ৰাছৰ স্বৰূপ এইদৰে বৰ্ণাইছে, 'ক'ৰাছে নাটকৰ ঘটনাৱলীৰ সঙ্কীৰ্ণ ক্ষেত্ৰ এৰি অতীত আৰু ভৱিষ্যতৰ বিষয়ে, দূ�ৰণিৰ যুগ আৰু জাতিৰ বিষয়ে আৰু মানৱ জাতি সম্পৰ্কীয় সকলো কথা লৈ আলোচনা কৰে। ক'ৰাছে জীৱনৰ ফলাফল নিৰ্ণয় কৰে আৰু জ্ঞানৰ শিকলি প্ৰচাৰ কৰে।' মুঠতে নাটকত প্ৰতিফলিত হোৱা জীৱন আৰু ভাগ্য পৰিণতিৰ চিত্ৰ দেখি মনত যিবিলাক ভাবৰ উদয় হ'ব পাৰে সেইবিলাক ক'ৰাছে কল্পনা, গীতিছন্দ আৰু সঙ্গীতৰ সহায়েৰে প্ৰকাশ কৰে।

সামাজিক সমস্যা গ্ৰীক্ নাটকৰ ক'ৰাছৰ ভাব-ৰাজ্যৰ বহির্ভুত নহয়, কিয়নো কোনো কোনো গ্ৰীক্ নাটকত সমাজনীতিমূলক প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। মিডিয়াক এৰি জেছনে যেতিয়া আন এগৰাকী ভাৰ্যা বিয়া কৰায়, তেতিয়া এদল তিৰোতাৰ ক'ৰাছে এই অন্যায় আচৰণৰ বিৰুদ্ধে প্ৰতিবাদ কৰি গাব লাগিছে—

'আন্দ্ৰাছি মেন ডলিয়ায় বোলায়'

"পুৰুষৰ মন কপটেৰে ভৰা" এই বুলি কৈ ক'ৰাছে এই মৰ্মে কৈছে যে, এতিয়াৰ পৰা আৰু কোনেও মাইকী মানুহক দোষ নিদিয়ে। প্ৰাচীন কালৰে পৰা পুৰুষ কবিসকলে তিৰোতাৰ বিশ্বাসঘাতকতা বৰ্ণাই আহিছে, কিন্তু তিৰোতাৰ কবিত্ব শক্তি থকা হ'লে তিৰোতায়ো পুৰুষৰ বিষয়ে নিজৰ বক্তব্য ক'লেহেঁতেন। তিৰোতাৰ দৰে পুৰুষৰ বিষয়েও অনেক ক'বলগীয়া আছে! জগতৰ সাহিত্যত স্ত্ৰী সমস্যাৰ এয়ে সূত্ৰপাত। কেতিয়াবা কেতিয়াবা ৰাষ্ট্ৰীয় সমস্যাৰ কথাও ক'ৰাছ, গানত পোৱা যায়। এস্কিলাছৰ এখন নাটকৰ ক'ৰাছে তেওঁবিলাকৰ গানত ন্যায়পৰায়ণতাৰ কাৰণে ৰাষ্ট্ৰত ভয়ৰ বান্ধোনৰ আৱশ্যকতা বুজাই কৈছে যে, উচ্ছৃঙ্খল শাসনো ভাল নহয় আৰু স্বেচ্ছাচাৰী শাসনো ভাল নহয়। ইংৰাজী এনার্কি আৰু টিৰেণি এই দুয়োটা শব্দ মূলতে গ্ৰীক্।

কেতিয়াবা কেতিয়াবা ক'ৰাছে অৰ্কেষ্ট্ৰাৰ পৰা সমুখৰ ৰঙ্গমঞ্চৰ ওপৰত থকা ভাৱৰীয়াৰ সৈতে কথা পাতে। ভাৱৰীয়াই সাধাৰণ পদ্যৰ ছন্দত কয় আৰু ক'ৰাছে গীতিছন্দত কয়। কিন্তু কেতিয়াবা ভাৱৰীয়া আৰু ক'ৰাছ দুয়ো গীতিছন্দ ব্যৱহাৰ কৰে। তেতিয়া ক'ৰাছৰ দৰে ভাৱৰীয়ায়ো গান গায় আৰু তেওঁবিলাকৰ কথাবার্তা গানত চলে। এই নিচিনা গানক গ্ৰীক্ নাটকত কম্মছ গান বোলে। এস্কিলাছৰ এখন নাটকত ৰজা আগামেমননৰ হত্যাকাণ্ডৰ পিছত তেওঁৰ পুতেক, জীয়েক আৰু ক'ৰাছৰ কথোপকথন লৈ এটা দীঘলীয়া কম্মছ গান ৰচা হৈছে। তাত তেওঁবিলাকৰ নিদাৰুণ শোক, প্ৰতিহিংসাৰ তীব্ৰ অভিলাষ আৰু ভৱিষ্যৎ আশাৰ মিহলি সুৰ অতি স্পষ্টভাৱে শুনা যায়। ইয়াতকৈ সংক্ষিপ্ত অনেক কম্মছ গান গ্ৰীক্ নাটকত পোৱা যায়।

কেতিয়াবা কেতিয়াবা দুজন ভাৱৰীয়াই গানেৰে কথা কয়, এজনৰ পিছত ইজনে গায়। এনেকুৱা গানক 'ৰঙ্গমঞ্চৰ গান' বোলা হয়, কাৰণ ক'ৰাছে অৰ্কেষ্ট্ৰা বোলা এডোখৰ বিশেষ ঠাইত গায়, কিন্তু এনেকুৱা গান ভাৱৰীয়াই ৰঙ্গমঞ্চৰ ওপৰত গায়। অনুভূতি আৰু আৱেগৰ ভৰ বেছি হ'লে দুজন ভাৱৰীয়াই এইদৰে গানত নিজৰ বক্তব্য প্ৰকাশ কৰে। তেতিয়া ক'ৰাছ নিমাত হৈ থাকে। ট্ৰয় যুদ্ধত ট্ৰজানবিলাক হৰাৰ পিছত ৰাণী হেকুবাক বন্দী কৰি নিয়া হৈছে আৰু বাটত তেওঁৰ কুমাৰী জীয়েকক বলি দিবলৈ থিয় কৰা হৈছে। এই নিদাৰুণ বাতৰি পাই মাক-জীয়েকে যিবিলাক কথা কৈছে সেইবিলাক গানত কোৱা হৈছে। ইউৰিপিডিছৰ হেকুবা নাটকৰ এই গান অতি কৰুণ মৰ্মভেদী।

এনে ভাৱৰীয়াই অকলে গোৱা গাঁথাক মনডি বোলে। এইবিধ গানো ইউৰিপিডিছৰ নাটকত বেছিকৈ পোৱা যায়। তেওঁৰ 'ইয়ন' নাটকত ডেকা পুৰোহিত ইয়নে ৰাতিপুৱা এপল' দেৱতাৰ মন্দিৰ পৰিষ্কাৰ কৰোঁতে নিজৰ অজ্ঞাত অনিশ্চিত জীৱন বৰ্ণাই দেৱতাৰ স্তুতি গাইছে আৰু গীতৰ এভাগত চৰাইবিলাকক সম্বোধন কৰি মন্দিৰত সোমাবলৈ হাক দিছে। ইয়নৰ এই গীতৰ সমান মধুৰ, কোমল মনডি অতি কমেই আছে। গ্ৰীক্ ট্ৰেজেদিত মাজে মাজে এইটোও দেখা যায় যে, গভীৰ শোক আৰু আৱেগৰ ভৰ বৰ বেছি হৈ উঠিলে ভাৱৰীয়াই নিজৰ উক্তি গানেৰে কৈ হৃদয়ৰ ভাৰ পাতলায়, যেন অনুভূতিৰ চেপাত হিয়াৰ তন্ত্ৰী আপোনা আপুনি বাজি উঠিছে। ভাব আৰু আৱেগৰ টোৰ তাল-মানবিলাক সূক্ষ্মভাৱে প্ৰকাশ কৰিবৰ কাৰণে গীতিছন্দ আৰু সঙ্গীতৰ অনিৰ্বচনীয় শক্তিৰ আৱশ্যক, —এই ধাৰণা শোক নাটক ৰচোঁতা গ্ৰীক্ কবিসকলে উপলব্ধি কৰিছিল। ছফক্লিছৰ এখন নাটকত প্ৰৱল প্ৰতাপী বীৰ আজাক্চে মাৰাত্মক অপযশৰ হাত সাৰিবৰ কাৰণে আত্মহত্যা কৰাৰ আগতে তেওঁৰ কোনো উক্তি গানত প্ৰকাশ কৰিছে। 'আন্ধাৰেই মোৰ পোহৰ' আদি গীতিকথাবিলাক বৰ মৰ্মস্পৰ্শী আৰু শোক লগা। আধুনিক সাহিত্যৰ হেম্লেট্, ৰজা লিয়েৰ্ আদি শোক নাটকৰ কোনো কোনো উক্তি গ্ৰীক্ ট্ৰেজেডিত গীত-ছন্দেৰে প্ৰকাশ কৰা হ'লহেঁতেন।

আধুনিক নাট্য সাহিত্যৰ ক'ৰাছ গানৰ মূলতঃ যে গ্ৰীক্ ক'ৰাছ তাত সন্দেহ নাই। গ্ৰীক্ ট্ৰেজেডিৰ লগত ক'ৰাছৰ যি সম্পৰ্ক আধুনিক নাটকৰ লগত ক'ৰাছ গানৰ সেই সম্পৰ্ক অৱশ্যে নাই। আধুনিক নাটকৰ ক'ৰাছ বহুত গায়ক বা গায়িকাই মিলি গোৱা স্বতন্ত্ৰীয়া সমস্বৰ গান মাথোন। নাট্যকাৰৰ প্ৰতিভা অনুসৰি এনেকুৱা অনেক ক'ৰাছ গানতো কবিত্ব আৰু সৌন্দৰ্য পোৱা যায়। ষোল শতিকাৰ ইটালীয় সাহিত্যত কোমল অনুভূতিৰ কবি টাচ্ছোৰ 'আমিন্তা' নাটকৰ ক'ৰাছ গান অমৰ সৌন্দৰ্যেৰে পৰিপূৰ্ণ। তেওঁৰ সমসাময়িক গুৱাৰিনিৰ 'বিশ্বাসী গৰখীয়া প্ৰেমিক' নাটকৰ এটা দৃশ্যত এদল কিশোৰীৰ ক'ৰাছে গীত-মাত আৰু সঙ্গীতৰ লগে লগে নায়িকাৰ লগত লুকালুকি খেলাৰ চিত্ৰ কলাপূৰ্ণ আৰু মনোৰম। সোতৰ শতিকাৰ ফৰাচী নাট্যকাৰ ৰাছিনে তেওঁৰ দুখন নাটকত যিবিলাক তৰুণী গায়িকাৰ ক'ৰাছ দিছে সেইবিলাকো কবিত্বপূৰ্ণ ৰচনাৰীতিৰ কাৰণে ফৰাচী সাহিত্যত জনাজাত। জার্মান সাহিত্যৰ অমৰ নাট্যকাৰ 'ফাউষ্ট'তো নানা ক'ৰাছ গান পোৱা যায়। ইংৰাজী সাহিত্যত এলিজাবেথ যুগৰ নাট্যকাৰ বেন্ জন্ছনে তেওঁৰ এখন নাটকৰ পাতনিত গ্ৰীক্ ধৰণৰ ক'ৰাছ গান কোনেও অনুকৰণ কৰিব পৰা নাই বুলি লিখিছিল যদিও তেওঁ নিজেই তেওঁৰ 'কাটিলিন' নাটকত কিছুমান নীৰস ক'ৰাছ গান দিছে। ঊনৈশ শতিকাত গীতিকবি শ্যেলীয়ে তেওঁৰ 'প্ৰমিথিয়াছৰ মুক্তি' আৰু 'হেল্লাছ' নামৰ দুখন নাট্য কাব্যত আৰু সমসাময়িক ইংৰাজী সাহিত্যত টমাছ্ হার্ডিয়ে তেওঁৰ বিৰাট নাট্যকাব্য Dynasts-অত বহুত ক'ৰাছ গান

দিছে। ইয়াৰ কোনো কোনোবিলাক গান কবিত্ব হিচাপে চমৎকাৰ, কিন্তু এই তিনিখন নাট্যকাব্যৰ এখনৰো ৰঙ্গমঞ্চৰ লগত সম্পৰ্ক নাই।

গ্রীক্ ট্রেজেডিৰ হুবহু অনুকৰণ কৰি নাটক লিখাৰ প্রচেষ্টাও আধুনিক ইউৰোপীয় সাহিত্যত দেখা যায়, কিন্তু এই নিচিনা অনুকৰণত কবিত্বৰ মূল্য থাকিলেও সি যে আধুনিক ৰঙ্গমঞ্চৰ উপযোগী নহয় তাকো বুজা যায়। ওঠৰ শতিকাত জার্মান সাহিত্যৰ প্রতিভাশালী নাট্যকাৰ ছিলাৰে তেওঁৰ 'মেছিনাৰ কুমাৰী' নামে এখন নাটক গ্রীক্ ট্রেজেডিৰ অবিকল অনুকৰণ কৰি লিখিছিল। এই নাটকত গ্রীক্ ট্রেজেডিৰ মূলভাৱ ৰক্ষিত হৈছে নে নাই হোৱা সেই বিষয়ে মতভেদ আছে আৰু এই নাটক ৰঙ্গমঞ্চতো বেছি দিন নিটিকিল। কিন্তু তাৰ ক'ৰাছ গানবিলাকত কবিত্ব আৰু কল্পনাৰ সম্ভাৰ পোৱা যায়। আধুনিক ইংৰাজী সাহিত্যত মেথু আর্নল্ড আৰু গীতিকবি ছুইনবার্নে গ্রীক্ ট্রেজেডি অনুকৰণ কৰিবলৈ বিশেষ চেষ্টা কৰিছিল। বিশেষকৈ ছুইনবার্নৰ বিখ্যাত 'আটালান্তা' নাটক আধুনিক কাব্য সাহিত্যৰ এটা উৎকর্ষশালী সৃষ্টি। কোনোৱে ইয়াক শব্দৰ আড়ম্বৰ বুলি উপহাস কৰিছিল যদিও ইয়াৰ ক'ৰাছ গানবিলাক যে কবিত্বপূর্ণ আৰু কলামণ্ডিত তাত সন্দেহ নাই। এই নাটকৰে এটা কম্মছ গানত আছে—

"Would God ye could carry me
Forth of all these;
Heap sand and bury me
By the Chersonese
Where the thundering Bosphorus answers the thunder
of Pontic seas."

'আটালান্তা' নাটকৰ মৌলিক সৌন্দর্য থাকিলেও সি যে ঠিক গ্রীক্ ট্রেজেডিৰ নিচিনা হোৱা নাই সেইটো ছুইনবার্নে বুজিছিল আৰু ইয়াৰ পিছত তেওঁ 'ইৰেক্থিয়াছ্' বুলি আন এখন শোক নাটক খাটি গ্রীক্ ধৰণে লিখে। কিন্তু গ্রীক্ নাটকৰ লগত ইয়াৰ সামঞ্জস্য বেছি যদিও মৌলিক সৃষ্টি হিচাপে ই 'আটালান্তা'ৰ সমকক্ষ নহয়, কিন্তু এই নাটকৰো ক'ৰাছ গানবিলাক সৌন্দর্যপূর্ণ আৰু শ্রুতিমধুৰ।

From the depth of the springs of my spirit of fountain
is poured of thanksgiving,
My Country, my mother, for thee. ইত্যাদি

এই নাটক দুখনৰ সম্পর্কে আৰু এটা কথা কৈ থোৱা আৱশ্যক যে, দুয়োখন বাস্তৱতে নাট্যকাব্য, ৰঙ্গমঞ্চত অভিনয় কৰা নাটক নহয়। গ্রীক্ ট্রেজেডিবিলাকে কিন্তু ৰঙ্গমঞ্চ আৰু সাহিত্য উভয় ক্ষেত্রতে সিদ্ধিলাভ কৰিছিল।

গ্রীক্ ট্রেজেডিৰ গানবিলাকৰ সুৰ সম্পর্কে বিশেষ একো জনা নাযায়। কবিত্বৰ বলতহে গ্রীক্ নাটকৰ গানে বিশ্ব সাহিত্যত ওখ ঠাই লাভ কৰিছে। বাস্তৱতে কবিত্ব নাথাকিলে কোনো গানেই অকল সুৰৰ বলত সাহিত্যত চিৰস্থায়ী আসন পাব নোৱাৰে। ইউৰোপীয় ৰঙ্গমঞ্চৰ বিখ্যাত অপেৰাবিলাকৰ সঙ্গীত আৰু গান অতি মনমোহা, কিন্তু দুখন এখনৰ বাদে সেইবিলাকৰ সাহিত্যত মূল্য বিশেষ একো নাই।

কবিতা আৰু সঙ্গীতৰ পাৰিপার্শ্বিক অভিব্যক্তি গ্রীক্ কাব্য প্রতিভাৰ এটা বিশেষ লক্ষণ। প্রাচীন গ্রীক্ কবিসকলৰ স্নিগ্ধ গম্ভীৰ গীত-কবিতাবিলাক খ্রীঃপূঃ সপ্তম আৰু ষষ্ঠ শতিকাত ৰচা হৈছিল; তাৰ পিছতহে গ্রীক্ ট্রেজেডিৰ বিকাশ হয়। কবিতা আৰু সঙ্গীতৰ এই যুগল অভিব্যক্তিৰ ফলস্বৰূপে প্রাচীন গ্রীক্ সাহিত্যত সঙ্গীতমূলক গীত-কবিতা যি বিকাশ হৈছিল তাৰ তুলনা প্রাচীন ভাৰতীয় সাহিত্যত পোৱা নাযায়। ভাৰতীয় সাহিত্যত ঋগ্বেদৰ সূক্তবিলাকত কাব্যৰীতি ভালেখিনি আগুৱাইছিল। সামবেদৰ সাহিত্যত

ঋক্ মন্ত্ৰবিলাক সুৰ লগাই গাবৰ কাৰণে ভিন্ন ভিন্ন প্ৰণালী বা সাম উদ্ভাৱন কৰা হৈছিল; কিন্তু সঙ্গীতমূলক নতুন মৌলিক মন্ত্ৰ বা সূক্ত ৰচনা কৰাৰ প্ৰয়াস সামবেদীসকলে প্ৰায়েই কৰা নাছিল। তেওঁবিলাকে 'স্তোম' ৰচনা কৰোঁতে একোটা একোটা ঋক্মন্ত্ৰ দহ-বাৰবাৰ পৰ্যন্ত ঘূৰাই ঘূৰাই গাইছিল, কিন্তু নতুন সূক্ত ৰচা তেওঁবিলাকৰ উদ্দেশ্য নাছিল। পালি সাহিত্যত কেতিয়াবা ক'ৰবাত কবিত্বপূৰ্ণ গান পোৱা যায়। দীৰ্ঘনিকায় গ্ৰন্থত পঞ্চশিখ গন্ধৰ্বই ভগৱান বুদ্ধৰ আগত বীণা বজাই গোৱা সুন্দৰ প্ৰণয়গীত আছে, কিন্তু এই নিচিনা নিদৰ্শন অতি বিৰল। মুঠতে গ্ৰীক্ সাহিত্যত কবিতা আৰু সঙ্গীতৰ যেনে অন্তৰঙ্গ সহযোগ হৈছিল প্ৰাচীন ভাৰতীয় সাহিত্যত তেনে সহযোগ সেই পৰিমাণে হোৱা নাছিল। বিৰাট সংস্কৃত কাব্য-সাহিত্যত গানৰ সংখ্যা বৰ কম।

*** ***** ***